আলোচনা চক্ৰ

আলোচ্য বিষয়: ‘ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ গীত’ এক চমু প্ৰতিবেদন :

তাৰিখ : ১৭ জানুৱাৰী ২০১৯ ইং চন ।

স্থান : অসমীয়া বিভাগৰ শ্ৰেণীকক্ষ ।

সময় : ১ বজা







শালবাৰী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত ২০১৯ ইং চনৰ ১৭ জানুৱাৰী তাৰিখে এখন আলোচনা চক্ৰ অনুষ্ঠিত হয় । আলোচনা চক্ৰৰ বিষয় “ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ গীত” । আলোচনা চক্ৰ সঞ্চালন কৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ হৰিশ দাসে । ‘জ্যোতিপ্ৰসাদ আগৰৱালাৰ নিমাতী কন্যাৰ গীতৰ এটি মূল্যায়ন’ শীৰ্ষক পত্ৰ পাঠ কৰে বিভাগৰ সহকাৰী অধ্যাপিকা মীনা কাকতিয়ে । ছাত্ৰ ভৱেশ দাস আৰু দীপিকা দাসে পাঠ কৰে ক্ৰমে ‘জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত উল্লেখিত বিপ্লবী গীতৰ আলোচনা আৰু ‘অসমীয়া লোকগীতৰ আধাৰতজ্যোতিপ্ৰসাদৰ নাটকৰ গীত’ শীৰ্ষক গৱেষণা পত্ৰ ।

আলোচনা চক্ৰৰ ফলাফল : আজি হৈ যোৱা আলোচনা চক্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকলে জ্যোতিপ্ৰসাদৰ নাটকৰ গীতৰ সম্যক ধাৰণা জন্মে । জ্যোতিপ্ৰসাদৰ প্ৰতিখন নাটেই গীতেৰে ভৰপুৰ । তেওঁ থলুৱা গীত-মাতৰ আৰ্হিত কিদৰে নাটকৰ উপযোগী কৈ গীত ৰচিছিল এই বিষয়ত জ্ঞান লাভ কৰে । তদুপৰি দেশমাতৃৰ সেৱাৰ বাবে নাটকৰ কাহিনীৰ মাজে মাজে গীত ব্যৱহাৰ কৰি পৰাধীন অসমীয়াক জাগ্ৰত কৰিছিল তাৰ সম্ভেদ পোৱা যায় ।

Salbari College, Salbari
Estd.1983
Baksa,BTR,Assam

Principal
Salbari College, Salbari, Baksa